# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 20-06-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

১। অ' এন জি চিৰ ৰুদ্ৰসাগৰৰ গেছ্ নিৰ্গমন হৈ থকা তৈল খাদটো স্থায়ীভাৱে বন্ধ কৰাৰ সিদ্ধান্ত। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল উপস্থিত।

২। অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৭ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন।

৩। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত এ চি এছ্ বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। বিশ্বৰ বিভিন্ন প্ৰান্তত কাইলৈ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ আজি হেডিংলিত আৰম্ভ।

০০০০

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল খাদটো তেল আৰু প্ৰাকৃতিক গেছ্ নিগম অৰ্থাৎ অ' এন জি চিয়ে স্থায়ীভাৱে বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত কয়, যে বিগত ৮ দিন ধৰি অ' এন জি চিয়ে একাধিক পদ্ধতিৰ ব্যৱহাৰেৰে গেছ্ নিৰ্গমন ৰোধ কৰিবলৈ চেষ্টা কৰি আহিছে। অ' এন জি চিয়ে গেছ্ নিৰ্গমনৰ সুৰুঙাটো ঢাকিবলৈ অধিক সুৰক্ষিত কৌশল প্ৰয়োগ কৰিছে আৰু ইয়াৰে প্ৰায় ৫০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণত সহযোগিতা আগবঢ়োৱাৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল আজি সন্ধিয়া সেই স্থান উপস্থিত হৈছেহি।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

০০০০

অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৭ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য,

সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ বিষ্ণুপ্ৰসাদ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজীয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত আজি নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ড০ শৰ্মাই তেওঁৰ ভাষণত বিপ্লৱী শিল্পীগৰাকীৰ চিন্তা-চেতনাত আলোকপাত কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰা এই দিৱস সন্দৰ্ভত এয়া আমাৰ বিশেষ প্ৰতিবেদন—

*এই দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতনামা ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰা হয়। তিনিটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ **শ্ৰীশ্ৰীমাধৱদেৱ বঁটা,** বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ **কালীচৰণ ব্ৰহ্ম বঁটা** আৰু সিন্দূৰ অভিযানত শ্বহীদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংগাখামলৈ **বীৰ চিলাৰায় বঁটা** আগবঢ়োৱা হৈছে।*

*একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ **বিষ্ণু ৰাভা বঁটা** আগবঢ়োৱা হৈছে। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ **শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা** আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ **স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা** আগবঢ়োৱা হৈছে।*

*ৰাভা দিৱস উপলক্ষে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, শোণিতপুৰ জিলা আৰু তেজপুৰ নগৰ শাখাৰ উদ্যোগত জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। তেজপুৰৰ দৰং মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত এহেজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তেজপুৰত থকা কলাগুৰুৰ সমাধিক্ষেত্ৰতো ৰাভা দিৱস পালন কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক তথা কলাগুৰুৰ পুত্ৰ পৃথ্বিৰাজ ৰাভা উপস্থিত থাকে।*

*ডিব্ৰুগড় সাহিত্য সভা, মানকটা শাখা সাহিত্য সভা, অসম গণ পৰিষদ ডিব্ৰুগড় জিলা সমিতি, অনিৰুদ্ধ দেৱ কনিষ্ঠ মহাবিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আজি অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তিগৰাকীৰ স্মৃতিত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। জিলাখনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ত বিষ্ণু ৰাভা দিৱস উদযাপন কৰা হয়। ডিব্ৰুগড় জিলা সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই আঁত ধৰা এই দিৱসৰ কাৰ্যসূচীত জিলাখনৰ বিশিষ্ট সংগীত শিল্পী ভূৱন গগৈয়ে বৰেণ্য শিল্পীগৰাকীৰ সৃষ্টিৰাজীক আলোকপাত কৰে।*

*চৰাইদেউ জিলাতো দিনজোৱা কাৰ্যসূচীৰে ৰাভা দিৱস পালন কৰা হয়। সোণাৰীৰ ভাগৰতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত অনুষ্ঠানত সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অংশ লয়। বিধায়কগৰাকীয়ে অসমীয়া শিল্প-সংস্কৃতিৰ ভঁৰাল চহকী কৰি যোৱা বিষ্ণু ৰাভাৰ কালজয়ী গীতসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ যুৱ চামক আহ্বান জনায়।*

*ধেমাজিৰ বৰদলনি জ্যোতি প্ৰকাশ সংঘই আজি কেন্দ্ৰীয়ভাৱে ৰাভা দিৱস উদযাপন কৰে। দিনৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।*

*বিষ্ণু ৰাভা দিৱস উপলক্ষে আজি সাংসদ ৰনগৌড়া নাৰ্জাৰীয়ে চিৰাং জিলাৰ সদৰ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত স্থাপন কৰা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা ৰংগমঞ্চ মুকলি কৰে। জিলা প্ৰশাসন আৰু চিৰাঙৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ সহযোগত উদযাপন কৰা এই দিৱসত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, চিত্ৰাংকন আৰু ৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।*

*গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু ৰাভা মহিলা পৰিষদৰ উদ্যোগত বৰমোহৰা মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়, নটসূৰ্য ফণী শৰ্মা ভৱনতো আজি এই উপলক্ষে কবিতা আবৃত্তি, চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি সভা আদি অনুষ্ঠিত হয়।*

*গুৱাহাটীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰ প্ৰাংগনত কলাগুৰু বিষ্ণু ৰাভাৰ স্মৃতিত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কলাক্ষেত্ৰৰ কৰ্মচাৰীসকলে এটা ৰাভা সংগীত একেলগে পৰিৱেশন কৰে। কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে বিষ্ণু ৰাভাৰ বিপ্লৱী দৰ্শন, শিল্প সাধনা আৰু বৃহত্তৰ অসমীয়া সমাজৰ প্ৰতি তেওঁৰ অমূল্য অৱদানৰ দিশত আলোকপাত কৰে।*

লখিমপুৰ, বাক্সা, হোজাই, বৰপেটা, ওদালগুৰি, জালুকবাৰী সমজিলাকে ধৰি প্ৰায়বোৰ ঠাইতে বিষ্ণু ৰাভা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়।

০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত চৰকাৰী বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। ৰাকেশ কুমাৰ পাল অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকা অৱস্থাত ধনৰ বিনিময়ত চাকৰি লোৱাৰ অভিযোগত অসম প্ৰশাসনীয় সেৱাৰ বিষয়াকে ধৰি ভালেসংখ্যক বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। পৰৱৰ্তী পৰ্যায়ত এই বিষয়াসকলে তেওঁলোকৰ বৰ্খাস্তকৰণৰ প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত জনোৱা আবেদন এজনীয়া বিচাৰপীঠে খাৰিছ কৰিছিল। এই বিষয়াসকলে এজনীয়া বিচাৰপীঠৰ ৰায়ক প্ৰত্যাহ্বান জনাই  খণ্ড আদালতত আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতে এই বিষয়াসকলক চাকৰি বাহাল ৰাখিবলৈ নিৰ্দেশ দিয়ে।

০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত কাইলৈ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত কাইলৈ পুৱা ৬ বজাত হ'বলগীয়া ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ৰাজ্যিক বিজেপিৰ ৪৩৪ টা সাংগঠনিক মণ্ডলত কাইলৈ যোগ দিৱসৰ আয়োজন কৰা হৈছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই গুৱাহাটী মহানগৰৰ ৰাজধানী মণ্ডল, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুৱে দিছপুৰ মণ্ডলত তথা অন্যান্য মন্ত্ৰী, সাংসদ, বিধায়ক আৰু জ্যেষ্ঠ নেতৃবৃন্দই ভিন ভিন স্থানত যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত গুৱাহাটীৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ উদ্যোগত গুৱাহাটী ৰিফাইনেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিভিন্ন যোগ কৌশল প্ৰদৰ্শন কৰা হ'ব।

হোজাই জিলাত এই দিৱস উদযাপনৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হ'ব।

বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি কালি জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলাখনত কাইলৈ যোগ দিৱস উপলক্ষে পুৱা সমূহীয়া যোগাভ্যাস কৰা হ'ব। এই কাৰ্যসূচীত যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত স্বেচ্ছামূলকভাৱে কাম কৰি থকা জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু অন্যান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০

আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে কাইলৈ বিশাখাপট্টনমত আয়োজিত সমুহীয়া যোগাভ্যাস অনুষ্ঠান আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠান পুৱা চাৰে ছয় বজাৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰইও ৰীলে কৰিব। এই অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত কাইলৈ পুৱা সাত বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি এই পোনপটীয়া প্ৰচাৰৰ পাছত প্ৰচাৰিত হ'ব।

০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কটকীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট জিলাত ধৰতি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযান আঁচনিখনৰ শুভাৰম্ভ কৰে। গমাৰিগুৰি উন্নয়নখণ্ডৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত সজাগতা সৃষ্টিৰ জৰিয়তে অসমৰ চুকে-কোণে ৬ হাজাৰ জনজাতীয় গাওঁত ৰাস্তা ঘাট, বিদ্যুৎ সংযোগ, অঙ্গনবাড়ী কেন্দ্ৰৰ নিৰ্মাণ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৱাসগৃহ নিৰ্মাণকে ধৰি ব্যক্তিগত পৰ্যায়ত যাতে প্ৰত্যেকখন আঁচনিৰ সুফল লাভ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটোৱে এই আঁচনিখনৰ মূল উদ্দেশ্য বুলি মন্ত্ৰী শ্ৰীমতী নেওগে কয়। আজিৰ এই সজাগতা সভাত গোলাঘাট জিলাৰ জিলা আয়ুক্ত পুলক মহন্ত আৰু উন্নয়ন খণ্ডৰ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে ৰাইজক আঁচনিখন সন্দৰ্ভত অৱগত কৰে।

০০০০

মঙলদৈ নগৰৰ ৫ নম্বৰ ৱাৰ্ডত আজি দুপৰীয়া সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত কেইবাটাও ঘৰ ভষ্মিভূত হয় আৰু এজন লোক গুৰুতৰভাৱে আহত হয়। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে, আজি দিনৰ প্ৰায় এক বজাত অঞ্চলটোত থকা তৰ্জাবেৰৰ এটা ঘৰত বৈদ্যুতিক ছৰ্টচাৰ্কিটৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু ততালিকে এই জুই ওচৰৰ দুটা ঘৰলৈ বিয়পি পৰে। স্থানীয় লোক আৰু অগ্নিনিৰ্বাপন বাহিনীৰ ছখন বাহনে প্ৰায় ডেৰ ঘণ্টাৰ মুৰত এই জুই নিৰ্বাপন কৰে। এই ঘটনাত গুৰুতৰভাৱে অগ্নিদগ্ধ মুকুট আলী নামৰ লোকজনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ আজি হেডিংলিত আৰম্ভ হৈছে। ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকে আজি টছত জিকি ভাৰতৰ অধিনায়ক শুভমন গীলক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতৰ হৈ অপেনাৰদ্বয় কে এল ৰাহুল আৰু য়শস্বী জয়ছোৱালে দলৰ হৈ দৃঢ় আৰম্ভণি কৰে আৰু প্ৰথম উইকেটৰ যুটীত ৯১ ৰাণ যোগ দিয়ে। কে এল ৰাহুল ৪২ ৰাণ কৰি কাৰ্ছৰ বলত জো ৰুটৰ হাতত কেটচ দি আউট হয়। আজি টেষ্ট অভিষেক ঘটা সাই সূদৰ্শনে মাত্ৰ ৪ টা বল খেলি কোনো ৰান নকৰাকৈ ষ্টোকৰ সহায়ত স্মীথৰ হাতত কেটছ্ দি আউট হয়। ভোজন বিৰতিৰ পৰলৈকে ভাৰতে প্ৰথম ইনিংছত ২ উইকেটৰ বিনিময়ত ৯২ ৰান সংগ্ৰহ কৰে।

ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে আৰু ভাৰতে এতিয়ালৈকে ২টা উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰিছে। জয়ছোৱালে অৰ্ধশতৰাণ সংগ্ৰহ কৰি অধিনায়ক শুভমন গীলৰ সৈতে বেটিং কৰি আছে।

০০০০

ফেডাৰেছন বেংক এ টি পি এ শ্বিল্ড প্ৰতিযোগিতাৰ আজি অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত মণিপুৰে অইল ইণ্ডিয়াক ৩-২ গলত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰে। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতা যোৰহাট জিলা ক্ৰীড়া সন্থাই আয়োজন কৰিছে।

০০০০

সমাপ্ত